# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :15**-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চাৰ দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে ক্ষমতালৈ প্ৰত্যাৱৰ্তন। পাটনাত নতুন চৰকাৰ গঠনৰ কুচকাৱাজ আৰম্ভ।

২। বিহাৰৰ জয়ক গণতন্ত্ৰৰ জয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

৩। সমগ্ৰ দেশতে আজি স্বাধীনতা সংগ্ৰামী বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন। অসমতো বিভিন্ন কাৰ্যসূচীৰ আয়োজন।

৪। ৰাজ্যৰ দুটাকৈ শক্তি প্ৰকল্পত আদানী গোষ্ঠীৰ ৬৩ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ঘোষণা।

*আৰু*

৫। কলকাতা টেষ্টত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে কালিৰ ভাৰতৰ প্ৰথম ইনিংছৰ ৩৭ ৰানৰ পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ।

০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চাই দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে ক্ষমতালৈ প্ৰত্যাৱৰ্তন কৰাৰ পাছত পাটনাত নতুন চৰকাৰ গঠনৰ কুচকাৱাজ আৰম্ভ হৈছে। চূড়ান্ত ফলাফল অনুসৰি এন ডি এই মুঠ ২৪৩ খন আসনৰ ভিতৰত ২০২ খনতে জয়লাভ কৰিছে আৰু ইয়াৰ ভিতৰত বিজেপিয়ে অকলেই ৮৯ খন আসন লাভ কৰিছে। এন ডি এৰ সহযোগী দল JDUয়ে ৮৫খন আসনত জয়লাভ কৰাৰ লগতে লোক জনশক্তি পাৰ্টীয়ে ১৯ খন আসন লাভ কৰে। হিন্দুস্তানী আৱামী মৰ্চাই পাঁচ খন আৰু ৰাষ্ট্ৰীয় লোক মৰ্চাই চাৰি খন আসনত জয়লাভ কৰে। বিজেপিয়ে নীতিশ কুমাৰ নেতৃত্বাধীন জেডিইউত কৈ অধিক আসন লাভ কৰাৰ পৰিপ্ৰেক্ষিতত এন ডি এ মৰ্চাৰ নতুন মুখ্যমন্ত্ৰী কোন হ'ব সেয়া লৈও জল্পনা-কল্পনা আৰম্ভ হৈছে।

আনহাতে, বিৰোধী মহাজোঁটবন্ধনে কেৱল ৩৫ খন আসন লাভ কৰিবলৈ সমৰ্থ হয়। আৰ জে ডিয়ে ২৫ খন আসন লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ৬ খন, চি পি আই (এম এল) লিবাৰেশ্যনে দুখন, আৰু চি পি আই (এম) আৰু আই আই পিয়ে এখনকৈ আসন লাভ কৰে। এ আই এম আই এমে পাঁচখন আসন লাভ কৰাৰ লগতে বহুজন সমাজপাৰ্টীয়ে মাত্ৰ এখন আসন লাভ কৰে। প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰশান্ত কিশোৰৰ জন সুৰয পাৰ্টীয়ে এখনো আসন লাভ কৰিবলৈ সমৰ্থ নহ'ল।

এন ডি এৰ হৈ জয়লাভ কৰা অন্যতম নেতাসকলৰ ভিতৰত উপ-মুখ্যমন্ত্ৰীদ্বয় সম্ৰাট চৌধৰী আৰু বিজয় কুমাৰ সিন্‌হা, ৰাজ্যিক মন্ত্ৰী প্ৰেম কুমাৰ, মহেশ্বৰ হাজাৰী আৰু সঞ্জয় ছাৰাওগি তথা বিজেপিৰ মৈথিলী ঠাকুৰ আৰু আনন্দ মিশ্ৰা আছে। অসম কেডাৰৰ প্ৰাক্তন আই পি এছ বিষয়া আনন্দ মিশ্ৰাই বক্সাৰ সমষ্টিৰ পৰা জয়লাভ কৰিছে। দ্বাৰভংগাৰ আলিনগৰ সমষ্টিত জয়লাভ কৰা ২৫ বছৰীয়া মৈথিলী ঠাকুৰ বিহাৰৰ আটাইতকৈ কম বয়সীয়া বিধায়ক হ'ব।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰ বিধানসভা নিৰ্বাচনৰ জয়লাভ, বিকাশৰ ৰাজনীতিৰ বাবে জনাদেশ  বুলি উল্লেখ কৰিছে। নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি সন্ধিয়া দলৰ কৰ্মকৰ্তাসকলক উদ্দেশ্যি দিয়া ভাষণত শ্ৰী মোদীয়ে এয়া, আৰ জে ডিৰ জংগলৰাজৰ সন্মুখীন হোৱা বিহাৰৰ মহিলাসকলৰ জয় বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে এয়া হৈছে গণতন্ত্ৰৰ জয়, যিয়ে দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ ওপৰত আস্থা সুদৃঢ় কৰে।

বাইট

বিহাৰৰ এই জয়ে কেৰালা, তামিলনাডু, পডুচেৰী, অসম আৰু পশ্চিমবংগৰ বিজেপি কৰ্মকৰ্তাসকলক উৎসাহিত কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

সমগ্ৰ দেশে আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা  বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে।  অসমতো আজি জনজাতি পৰিক্ৰমা বিভাগৰ সৌজন্যত **গোৱালপাৰা** জিলা প্ৰশাসন আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ সহযোগত  দুধনৈৰ আমজোঙ্গাত জনজাতীয় গৌৰৱ দিৱস উদযাপন কৰা হ'ব। অনুষ্ঠানত ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা উপস্থিত থাকিব।

**গোলাঘাট** জিলাৰ পুলিবাগান অঞ্চলৰ মুৰংঘৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত সাংস্কৃতিক শোভাযাত্ৰাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ উপস্থিত থাকিব।

০০০০০০

আদানী পাৱাৰ লিমিটেডে অসমত তিনি হাজাৰ ২০০ মেগাৱাটৰ এটা গ্ৰীণ ফিল্ড আল্ট্ৰা ছুপাৰ ক্ৰিকিকেল পাৱাৰ প্লেণ্ট স্থাপনৰ বাবে ৪৮ হাজাৰ কোটি টকা বিনিয়োগ কৰিব। সেইদৰে আদানী গ্ৰীণ এনাৰ্জিয়ে অসমত মুঠ দুহেজাৰ ৭০০ মেগাৱাটৰ দুটা পাম্পড ষ্টোৰেজ প্লাণ্ট স্থাপনৰ বাবে ১৫ হাজাৰ কোটি সহ মুঠ ৬৩ হাজাৰ কোটি টকা বিনিয়োগ কৰিব। আদানী গ্ৰুপৰ কৰ্পোৰেট কমিউনিকেচনৰ বিষয়া মিটুল থাক্কাৰে কালি এই কথা প্ৰকাশ কৰিছে।  বিষয়াগৰাকীয়ে লগতে কয়, যে এই দুয়োটা বৃহৎ প্ৰকল্পই আদানী গ্ৰুপৰ উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ লক্ষ্য আৰু সঞ্চালক গৌতম আদানীৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত অঞ্চলটোৰ উন্নয়ন আৰু বিকাশৰ বাবে ৫০ হাজাৰ কোটি বিনিয়োগৰ লক্ষ্য পূৰন কৰিব। আদানী গ্ৰুপৰ সঞ্চালক গৌতম আদানীয়ে কয়, যে ভাৰতৰ বিকাশৰ যাত্ৰাত উত্তৰ-পূৰ্বাঞ্চল গুৰুত্বপূৰ্ণ অংশ হিচাপে বিবেচিত হৈছে। তেওঁ কয়, যে তিনি হাজাৰ ২০০ মেগাৱাটৰ তাপ বিদ্যুৎ প্ৰকল্প আৰু দুহেজাৰ ৭০০ মেগাৱাটৰ পি এছ্ পি প্ৰকল্প দুটা অসমৰ ইতিহাসত ব্যক্তিগক খণ্ডৰ সৰ্ববৃহৎ বিনিয়োগ হোৱাৰ লগতে শক্তি, সুৰক্ষা, ঔদ্যোগীক বিকাশ আৰু সংস্থাপনৰ ক্ষেত্ৰত এটা বলিষ্ঠ পদক্ষেপ হিচাপে বিবেচিত হ'ব। আদানী গ্ৰুপে প্ৰকাশ কৰা মতে তিনি হাজাৰ ২০০ মেগাৱাটৰ তাপবিদ্যুৎ প্ৰকল্পটোত নিৰ্মাণকাৰ্য চলি থকা অৱস্থাত ২০ৰ পৰা ২৫ হাজাৰ লোকে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সংস্থাপন লাভ কৰিব। আনহাতে প্ৰকল্পটো আৰম্ভ হোৱাৰ পাছত তিনি হাজাৰ ৫০০ লোকে ২০৩০ চনৰ ভিতৰত পৰ্যায়ৰ ক্ৰমে কৰ্মসংস্থাপন লাভ কৰিব।

০০০০০০

প্ৰশাসন ব্যৱস্থাক ৰাইজৰ অধিক কাষ চপাই নিয়াৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ অবিৰত প্ৰচেষ্টাৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ মহানগৰ জিলাৰ গড়লত নতুনকৈ নিৰ্মাণ কৰা ৰামচাৰাণী খণ্ড উন্নয়ন বিষয়াৰ নতুন কাৰ্যালয়ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। স্থানীয় ৰাইজৰ সুবিধাৰ্থে চৰকাৰে যোৱা বছৰৰ ১৩ নৱেম্বৰত পূৰ্বৰ ৰাণী উন্নয়ন খণ্ডৰ ৩ খন গাঁও পঞ্চায়তক কামৰূপ জিলাৰ ছয়াণী ৰাণী উন্নয়ন খণ্ডত অন্তৰ্ভুক্ত কৰিছিল। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত কয়, যে চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ সফল ৰূপায়ণত সুবিধা হোৱাকৈ গড়ল

তালুকৰ সভাগৃহলৈ ৰামচাৰাণী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়টো অস্থায়ীভাৱে স্থানান্তৰ কৰা হৈছে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে অহা ডিচেম্বৰ বা জানুৱাৰীৰ প্ৰথম ভাগত গুৱাহাটী বিমান বন্দৰৰ নতুন টাৰ্মিনেল উদ্বোধনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই অঞ্চললৈ আহিব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকী আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অভিনৱ সৃষ্টি বৃন্দাবনী বস্ত্ৰক অসমলৈ অনা সন্দৰ্ভত আলোচনাৰ বাবে লণ্ডনলৈ ৰাওনা হ'ব।

০০০০০০

সদ্য সমাপ্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় ষান্মাসিকৰ ছাত্ৰ ডেনিছ নাথে মিমিক্ৰি অৰ্থাৎ কণ্ঠ নকল প্ৰতিযোগিতাত প্ৰথম স্থান অৰ্জন কৰিছে। মঙলদৈ মহাবিদ্যালয় দলে নাট প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰাৰ লগতে ডেনিছ নাথে সৰ্বশ্ৰেষ্ঠ অভিনেতাৰ সন্মানো অৰ্জন কৰে। এয়া আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে ডেনিছ নাথ ঃ

বাইট

০০০০০০

ৰাজ্যত বিধানসভা নিৰ্বাচনলৈ কেইমাহমানহে বাকী। বিদ্যালয়-মহাবিদ্যালয়সমূহৰো চূড়ান্ত পৰীক্ষা সমাগত। বৰ্তমান বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰো বতৰ। এই সময়ছোৱাত ৰাজনীতিক, পৰীক্ষাৰ্থী, অভিভাৱকে ধৰি বিভিন্ন শ্ৰেণীৰ লোকৰ মানসিক চাপ বৃদ্ধি পায়। এই মানসিক চাপ কেনেদৰে নিয়ন্ত্ৰণত ৰাখিব পাৰি, সেই বিষয়ে আজি নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। ৰাজ্যখনৰ এগৰাকী বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ড° জয়ন্ত দাসে ষ্টুডিঅ'ত থাকি বিভিন্ন প্ৰশ্নকৰ্তাই টেলিফোনযোগে উত্থাপন কৰা সমস্যাৰ নিদান দিব। এই অনুষ্ঠানটোৰ পৰিকল্পনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু উপস্থাপন অৰুণিমা গোস্বামীৰ। প্ৰয়োজনীয় ফোন নম্বৰ দুটি হৈছে - ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫।

০০০০০০

সংগীত নাটক একাডেমী বঁটাপ্ৰাপক ভাস্কৰ্য তথা চাৰুকলা শিল্পী নুৰুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ গুৰুজী আদ্য শৰ্মা বঁটা আগবঢ়োৱা হৈছে। বৃন্দাবন থিয়েটাৰৰ উদ্যোগত তথা শ্ৰী শ্ৰী হৰিমন্দিৰৰ সহযোগত প্ৰতিবছৰে এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত নগদ ধন, অংগ বস্ত্ৰ, ফুলাম গামোচা, স্মাৰক, প্ৰশস্তি পত্ৰ আৰু কিতাপৰ টোপোলা আছে। কাইলৈ নলবাৰীৰ ৰাস মহোৎসৱৰ মূল মঞ্চত বিশিষ্ট শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকিব।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অধীনত বান নিয়ন্ত্ৰণ, খহনীয়া ৰোধ আৰু হাতী-মানুহৰ সংঘাত নিয়ন্ত্ৰণৰ বাবে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি কেইবাখনো আঁচনি মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে কেন্দুগুৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত টিপামত নাবাৰ্ডৰ পুঁজিৰে বুঢ়ী দিহিং নৈৰ সোঁপাৰৰ মথাউৰি পুনৰ নিৰ্মাণ কাৰ্যসূচী উদ্বোধন কৰে। শ্ৰী হাজৰিকাই এই আঁচনিৰ শুভাৰম্ভ কৰি কয়, যে খহনীয়া আৰু মথাউৰি নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'লে বুঢ়ী দিহিঙৰ দাঁতি কাষৰীয়া ৰাইজে যথেষ্ট সকাহ পাব। মন্ত্ৰীগৰাকীয়ে কালি তৰাজান চাহ বাগিচাত হাতী মানুহৰ সংঘাত ৰোধ তথা চাহ বাগিচা অঞ্চলত হাতীৰ প্ৰৱেশত বাধা দিয়াৰ বাবে নিৰ্মাণ হ'বলগীয়া ১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ সৌৰশক্তিচালিত বেৰ নিৰ্মাণ আঁচনিৰো আধাৰশিলা স্থাপন কৰে।

০০০০০০

মঙলদৈৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান জীপচি গিল্ডৰ উদ্যোগত কাইলৈ চহৰখনৰ বৰপুখুৰী পাৰৰ জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত **অৰণ্যৰ দিন** নামৰ এটা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, মঙলদৈৰ আন এটা অগ্ৰনী সংগঠন উইনাইটেড ক্লাবৰ প্ৰযোজনাত ক্ৰাউড ফাণ্ডিঙৰ জৰিয়তে ১৯৭১ চনত অৰণ্য নামৰ ছবিখন নিৰ্মাণ কৰা হৈছিল। এই ছবিখনৰে মুক্তিৰ ৫৪ বছৰ পূৰ্তি উপলক্ষে কাইলৈ চহৰখনত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ছবিৰ মাজেৰে ৫৪ বছৰ পূৰ্বে গোলকীয় উষ্ণতাৰ বাৰ্তা দিয়া এই ব্যতিক্ৰম ধৰ্মী ছবিখনৰ স্মৃতি সজীৱ কৰি ৰখাৰ লক্ষ্যৰে কাইলৈ আয়োজন কৰিবলৈ লোৱা অনুষ্ঠানত গোলকীয় উষ্ণতা সম্পৰ্কে বক্তব্য প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ছবিখনৰ পৰিচালক প্ৰয়াত সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ সোঁৱৰণত প্ৰকাশ পাবলগীয়া ডাক টিকট উন্মোচন কৰিব বিশিষ্ট নাট্যকাৰ তথা পৰিচালক নয়ন প্ৰসাদে। অনুষ্ঠানত বিশিষ্ট অভিনেতা তথা গল্পকাৰ তপন দাস উপস্থিত থাকিব। ছবিখনৰ প্ৰযোজনাৰ সৈতে জড়িত কলা-কুশলীসকলেও এই অনুষ্ঠানত ছবিখন সন্দৰ্ভত স্মৃতি ৰোমন্থন কৰিব।

oooooo

কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথম টেষ্টৰ কালি প্ৰথম দিনা ভাৰতে নিজৰ প্ৰথম ইনিংছত এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩৭ ৰানৰ  পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। প্ৰথম দিনৰ সামৰণিত কে এল ৰাহুলে ১৩ আৰু ৱাশ্বিংটন সুন্দৰে ৬ ৰানত বেট ধৰি আছে। ভাৰতে স্বাচ্ছন্দে প্ৰথম ইনিংছ আৰম্ভ কৰে যদিও ব্যক্তিগত ১২ ৰানত ভাৰতৰ অ'পেনাৰ য়শস্বী জয়ছোৱাল য়ানছেনৰ বলত আউট হয়।

ইয়াৰ পূৰ্বে কালি ভাৰতীয় বলাৰসকলৰ নিয়ন্ত্ৰিত ব'লিঙৰ সন্মুখত দক্ষিণ আফ্ৰিকাৰ বেটিং বিপৰ্যয় ঘটে। দক্ষিণ আফ্ৰিকাই ১৫৯ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱাই প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ১৪ অভাৰত ২৭ ৰান দি পাঁচটা উইকেট দখল কৰে। মহম্মদ ছিৰাজ আৰু কুলদ্বীপ যাদৱে দুটাকৈ আৰু অক্ষৰ পেটেলে এটা উইকেট দখল কৰে।

শৃংখলাটোৰ দ্বিতীয় তথা অন্তিমখন টেষ্ট অহা ২২ নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'ব।

oooooo

## News Paper REV

বিহাৰ বিধানসভা নিৰ্বাচনত এন ডি এ মৰ্চাই ২৪৩ খন আসনৰ ভিতৰত ২০২ খনতে জয়লাভ কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন, আমাৰ অসম, দি আছাম ট্ৰিবিউন**কে ধৰি আজি প্ৰকাশিত প্ৰতিখনে কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে শীৰ্ষ বাতৰিৰ স্থান দিছে।

বিজেপিৰ আই টি চেলৰ মুৰব্বী অমিত মালব্যই সামাজিক মাধ্যমযোগে কয়, যে ২০০৪ চনৰ পৰা ২০২৫ চনলৈ ৰাহুল গান্ধীৰ নেতৃত্বত নিৰ্বাচনত অৱতীৰ্ণ হৈ নিৰ্বাচনত অৱতীৰ্ণ হৈ কংগ্ৰেছে হয পৰাজয় স্বীকাৰ কৰিছে, নহয় কোনোধৰণৰ সফলতা অবিহনে নিৰ্বাচনী যুঁজ সামৰিবলগীয়া হৈছে।  ২০০৪ চনৰ পৰা ৯৫ বাৰ পৰাজয়, বিহাৰৰ ফলক লৈ অসন্তুষ্ট ৰাহুল গান্ধী শিৰোনামেৰে **দৈনিক অসম** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে ৰাহুল গান্ধীয়ে যাত্ৰা কৰা ১১০ টা সমষ্টিতে পৰাজিত কংগ্ৰেছ শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

এই ফলাফলক কেন্দ্ৰ কৰি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় মুখ্য কাৰ্যালয়ত বিজেপিয়ে উদযাপন কৰা বিজয় উৎসৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰা বাতৰি **দ্যা 'ছেণ্টিনেল** কাকতৰ লগতে আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

**দৈনিক অগ্ৰদূত** কাকতৰ এই বাতৰিৰ শিৰোনাম বিহাৰ হৈ বংগলৈ বৈ যোৱা গংগাই বিজয়ৰ পথ সৃষ্টি কৰিছে ঃ মোদী।

বিহাৰৰ এই নিৰ্বাচনত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ চলোৱা ৯ টা সমষ্টতে বিজেপিৰ প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে।

আদানী গোষ্ঠীয়ে ৰাজ্যৰ দুটাকৈ শক্তি প্ৰকল্পত ৬৩ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ঘোষণা কৰিছে। এয়া **দ্যা টাইমছ অব ইণ্ডিয়া** কাকতৰ বাতৰি।

মুম্বাইত অনুষ্ঠিত য়থাকথা আন্তৰ্জাতিক চলচ্চিত্ৰ আৰু সাহিত্য মহোৎসৱ ২০২৫ত সাহিত্যিক, আই পি এছ বিষয়া ড০ পাৰ্থ সাৰথি মহন্তলৈ ***অনসুনী চীখে*** ছবিৰ বাবে ভাৰতী চিনেমা শাখাত শ্ৰেষ্ঠ চুটি ছবি পৰিচালকৰ সন্মান আগবঢ়োৱা হৈছে। **দৈনিক জনমভূমি** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে মুক্তিৰ ১৪ দিনলৈকে ৰৈ ৰৈ বিনালে ছবিখনৰ ২২ কোটিৰো অধিক টকাৰ টিকট বিক্ৰী হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পৰৱৰ্তী সময়ত বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসম, মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামৰ বতৰ শুকান হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

সমাপ্ত